# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 5-04-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***:::::::::::::::::::::::::::::::::::::::***

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে অসমত ৬৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। এই পৰ্যায়ত ৫ খন আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা হ'ব। মনোনয়নসমূহ আজি পৰীক্ষা কৰা হয়। এই পৰ্যায়ত মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্যৰ পৰিবহণ আৰু আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, বিজেপি সাংসদ কৃপানাথ মাল্লা, দিলীপ শইকীয়া, কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিপিএফৰ বিধায়ক দুৰ্গাদাস বড়ো আছে। এ আই ইউ ডি এফ আৰু তৃণমূল কংগ্ৰেছেও তৃতীয় পৰ্যায়ৰ বাবে প্ৰাৰ্থীত্ব আগবঢ়াইছে।

ooooo

ৰাজ্যত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিশেষকৈ ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ত কাজিৰঙা, ডিব্ৰুগড়, লখিমপুৰ, শোণিতপুৰ আৰু যোৰহাট লোকসভা সমষ্টিত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে ব্যাপক প্ৰচাৰ অভিযান চলিছে। শাসকীয় বিজেপিকে ধৰি কংগ্ৰেছ, আম আদমী পাৰ্টী, অসম গণ পৰিষদ, ইউ পি পি এল, বি পি এফ আদি দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে ডিগবৈত বিজয় সংকল্প সমদলত অংশগ্ৰহণ কৰাৰ পাছত টিংখাঙৰ ঔগুৰিত অনুষ্ঠিত নিৰ্বাচনী সভাত সোণোৱালৰ হৈ প্ৰচাৰ অভিযান চলায়। লখিমপুৰ লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সোণোৱালে জোনাইত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। আনহাতে, চিৰাঙৰ বিজনীত বিজেপিৰ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত ৫ শতাধিক যুৱক-যুৱতীয়ে বিজেপিত যোগদান কৰে। কোকৰাঝাৰতো ইউ পি পি এলৰ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। বি টি আৰৰ মুৰববী প্ৰমোদ বড়োৰ উপস্থিতিত আয়োজিত অনুষ্ঠানত ৭ শতাধিক যুৱক-যুৱতীয়ে ইউ পি এলত যোগদান কৰে। বৰপেটাত অসম গণ পৰিষদৰ বুথ সমিতিৰ এখন কৰ্মীসভা আজি অনুষ্ঠিত হয়। বৰপেটা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ কাৰ্যালয়ত অনুষ্ঠিত কৰ্মীসভাত দলটোৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা উপস্থিত থাকে। বিভিন্ন বুথ সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থকা এই সভাখনত কলিতাই বুথ শক্তিশালী কৰিবলৈ সকলোকে সৰ্বাধিক গুৰুত্ব দিবলৈ আহ্বান জনায়।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ বাবে সমগ্ৰ ৰাজ্যতে জিলা প্ৰশাসনৰ উদ্যোগত ভোটাৰ ৰাইজৰ মাজত ভোটদানৰ সজাগতাৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাৰ্বি আংলং জিলা প্ৰশাসন আৰু কাৰ্বি ফিল্ম ছ'চাইটিৰ সহযোগত ডিফুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰাংগণত ভোটদানৰ সজাগতা বৃদ্ধিৰ বাবে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। বাটৰ নাটখনিৰ নাট্যকাৰ আৰু পৰিচালক বশিষ্ট অভিনেতা ৰাজীৱ ক্ৰ'। নাটকৰ যোগেদি তৃতীয় লিংগৰ ভোটাৰক এইবাৰ লোকসভা নিৰ্বাচনত বিশেষ সুবিধা প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰা হয়।

অনুষ্ঠানত ডিফু লোকসভা সমষ্টিৰ সাধাৰণ পৰ্যৱেক্ষক- জয়দেৱ মুখপাধ্যায়, নিৰ্বাচনী ব্যয় পৰ্যৱেক্ষক, আৰক্ষী পৰ্যৱেক্ষক, কাৰ্বি আংলং জিলাৰ আয়ুক্তকে ধৰি জিলাখনৰ অন্যান্য প্ৰশাসনিক বিষয়াসকল উপস্থিত থাকে।

নতুন ভোটদাতাসকলৰ সজাগতাৰ বাবে বাক্সা জিলাটো প্ৰশাসনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভোটদানৰ সজাগতা সভা অনুষ্ঠিত কৰে। বাক্সা জিলাৰ জালাহৰ বি বি কিষাণ মহাবিদ্যালয়তো আজি নতুন ভোটাৰসকলৰ উপস্থিতিত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত বিশিষ্ট শিল্পী মণিষা হাজৰিকাই অংশগ্ৰহণ কৰে। শিল্পীগৰাকীয়ে নতুন ভোটাৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে ভোটদান হৈছে মৌলিক অধিকাৰ, সেয়ে ভোটদান সাব্যস্ত কৰাটো অতিকৈ প্ৰয়োজনীয়। বাক্সা জিলাৰ অতিৰিক্ত আয়ুক্ত কবিতা ফাংচুৰ লগতে জিলাখনৰ অন্যান্য প্ৰশাসনীয় কেইবাগৰাকীও বিষয়াই অংশগ্ৰহণ কৰে। একেদৰে আজি নিকাচি জ্ঞানপীঠ ডিগ্ৰী মহাবিদ্যালয় আৰু বৰমা মহাবিদ্যালয়তো নতুন ভোটাৰসকলৰ বাবে সজাগতা সভা অনুষ্ঠিত হয়।

ooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ সৈতে সংগতি ৰাখি পৰীক্ষা তথা মূল্যায়ন পদ্ধতিত কিছু সাল-সলনি ঘটাইছে। নতুন পদ্ধতি অনুসৰি এতিয়া দক্ষতাভিত্তিক প্ৰশ্ন অধিক হোৱাৰ পৰিৱৰ্তে বিস্তৃত উত্তৰৰ প্ৰশ্নৰ সংখ্যা কম হ'ব। সংশোধিত নিৰ্দেশাৱলী অনুসৰি একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বহুবিকল্প থকা প্ৰশ্নৰ ৰূপত দক্ষতাভিত্তিক প্ৰশ্নসমূহ পূৰ্বৰ ৪০ শতাংশৰ পৰা ৫০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। আনহাতে, ২০২৪-২৫ শৈক্ষিক বৰ্ষত চমু তথা দীৰ্ঘ উত্তৰৰ প্ৰশ্নকে ধৰি বিস্তৃত উত্তৰৰ প্ৰশ্নসমূহ ৪০ শতাংশৰ পৰা ৩০ শতাংশলৈ হ্ৰাস কৰা হৈছে। অৱশ্যে ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ নৱম আৰু দশম শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষাৰ প্ৰশ্নকাকতৰ গাঁথনিত কোনো পৰিৱৰ্তন কৰা হোৱা নাই।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা চাৰে ৮ বজাত 'চলন্তিকা-লোকনিৰ্ণয়, ২০২৪' শীৰ্ষক অনুষ্ঠানত তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পলৰ সৈতে হোৱা এটা কথোপকথন প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব তিনিচুকীয়াৰ সংবাদদাতা মনোৰঞ্জন মৰাণে। অনুষ্ঠানত সমাগত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্তগৰাকীৰ সৈতে বাৰ্তালাপ কৰা হ'ব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ঃসমাপ্তঃ